C.S (M) 09

Sl. No. 185

D–DTN–J–BTB

# ASSAMESE

## Paper—II

## ( Literature )

| Time Allowed : Three Hours | Maximum Marks : 300 |
|---|---|

## INSTRUCTIONS

**Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.**

**The number of marks carried by each question is indicated at the end of the question.**

**Answers must be written in Assamese.**

www.StudyGuideIndia.com

## Section—A

1. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ *200* (দুইশ) শব্দৰ ভিতৰত লিখিবাঁ : 20×3=60

   (a) মাধৱদেৱৰ বৰগীতত শিশু কৃষ্ণৰ বাল্য-জীৱনৰ ৰং-বিৰঙৰ ছবি কিদৰে ফুটি ওলাইছে, আলোচনা কৰাঁ।

   (b) ভট্টদেৱৰ 'কথা-ভাগৱত'ৰ দ্বিতীয় স্কন্ধৰ বিষয়বস্তু চমুকৈ আলোচনা কৰাঁ।

   (c) "কামজয় নামে ইটো কেশৱৰ কেলি—" এই উক্তিৰ আধাৰত কীৰ্তনৰ অন্তৰ্গত ৰাস-ক্ৰীড়াৰ মহত্ত্ব বিচাৰ কৰাঁ।

   (d) 'গুৰু চৰিত-কথা'ত শংকৰদেৱৰ শৈশৱ আৰু কৈশোৰৰ ছবি কিদৰে ফুটাই তোলা হৈছে, আলোচনা কৰাঁ।

2. 'অযোধ্যা কাণ্ড'ত মাধৱ কন্দলিয়ে পাঠক-শ্ৰোতাৰ মনোৰঞ্জনকাৰী কি কি সমল সংযোগ কৰি মূল ৰামায়ণৰ পৰা আঁতৰি আহিছে, বিশ্লেষণ কৰি দেখুওৱাঁ । 60

3. "মাধৱদেৱৰ দাস্য আৰু বাৎসল্য ভাৱপ্ৰধান অন্যান্য ৰচনাসমূহৰ তুলনাত 'ৰাজসূয়' কাব্যত প্ৰায় সকলো ৰসৰ সমাহাৰ ঘটিছে ।"

মন্তব্যটোৰ আলমত 'ৰাজসূয়' কাব্যৰ কাহিনী-প্ৰৱাহ বিচাৰ কৰি কাব্যখনৰ ৰস-সৌন্দৰ্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ । 60

4. 'পাৰিজাত হৰণ' নাটত সম্পূৰ্ণ দুটা পৃথক ঘটনা সংযোজন কৰি শংকৰদেৱে নাট্যকাৰৰূপে কি অভিনৱত্ব আৰু প্ৰতিভাৰ পৰিচয় দিছে, বিশদভাৱে আলোচনা কৰাঁ । 60

## Section—B

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ প্ৰতিটোৰে উত্তৰ *200* (দুইশ) শব্দৰ ভিতৰত লিখিবাঁ : 20×3=60

(a) " 'প্ৰতিমা' তন সৰু, কিন্তু নিভাঁজ সোণৰ ।" এই উক্তিৰ আধাৰত চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য-প্ৰতিভাৰ পৰিচয় দিয়াঁ ।

(b) 'গাঁওবুঢ়া' নাটকৰ ভোগমন চৰিত্ৰই ট্ৰেজিক চৰিত্ৰ হিচাপে কিমানদূৰ সফলতা লাভ কৰিছে, বিচাৰ কৰাঁ ।

(c) কৃপাবৰ বৰুৱাই 'কাকতৰ টোপোলা'ত কিদৰে হাস্যৰস সৃষ্টি কৰিছে, উদাহৰণসহ বুজাই লিখাঁ ।

(d) 'কাৰেঙৰ লিগিৰী'ত ৰোমাণ্টিক ভাৱাদৰ্শৰ প্ৰভাৱ দেখুৱাই এটি চমু নিবন্ধ যুগুত কৰাঁ ।

www.StudyGuideIndia.com

6. 'মনোমতী' উপন্যাসত সমকালীন অসমৰ ৰাজনৈতিক আৰু সামাজিক দুৰৱস্থাৰ ছবিখন কেনেদৰে ফুটাই তোলা হৈছে, আলোচনা কৰা। 60

7. 'জীৱনৰ বাটত' উপন্যাসৰ কাহিনী আৰু চৰিত্ৰ—এই দুটাৰ কোনটোৱে তোমাক অধিক আকৰ্ষণ কৰে, যুক্তিসহ বুজাই লিখা। 60

8. 'মৃত্যুঞ্জয়' উপন্যাসত অসমৰ কোনছোৱা কালৰ ৰাজনৈতিক ইতিহাস দাঙি ধৰা হৈছে, সেয়া আলোচনা কৰি ৰাজনৈতিক উপন্যাস হিচাপে ইয়াৰ সফলতা-বিফলতা বিচাৰ কৰা। 60

★ ★ ★

www.StudyGuideIndia.com

www.StudyGuideIndia.com